নং ঃ ৫৪/২০২২

**নগৰ উন্নয়নৰ পদক্ষেপসমূহৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ পৌৰোহিত্যত গুৰুত্বপূৰ্ণ বৈঠক**

# সমগ্ৰ ৰাজ্যখনত গৃহ নিৰ্মাণৰ বাবে উমৈহতীয়া উপবিধি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১০ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত গৃহ আৰু নগৰ উন্নয়ন বিভাগ, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ আৰু গুৱাহাটী পৌৰ নিগমৰ বিষয়াসকলৰ সৈতে এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত গৃহ নিৰ্মাণৰ উপবিধি, গুৱাহাটী মহানগৰীৰ বাবে পৰিবহন আৰু যাতায়াত আঁচনি, আৱৰ্জনা নিষ্কাশন আঁচনি আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰ উন্নয়ন প্ৰকল্পকে ধৰি বিভিন্ন নগৰ উন্নয়ন সম্পৰ্কীয় পদক্ষেপসমূহৰ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়।

চহৰ অঞ্চলত বাস কৰা লোকসকলৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰ্দ্ধাৰণ কৰা লক্ষ্যত উপনীত হ'ব পৰাকৈ চৰকাৰখনে হাতত ল'ব খোজা প্ৰস্তাৱিত বিভিন্ন উন্নয়নমূলক পদক্ষেপসমূহৰ বিষয়ে এই বৈঠকত সবিশেষ আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে গৃহ আৰু নগৰ উন্নয়ন বিভাগক মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনিৰ অধীনত সমগ্ৰ ৰাজ্যখনৰ বাবে উমৈহতীয়া গৃহ নিৰ্মাণ উপবিধি গ্ৰহণ কৰাৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে গৃহ নিৰ্মাণৰ ক্ষেত্ৰত অনুমতি প্ৰদানৰ দিশত ৱেব পোৰ্টেল ভিত্তিক ব্যৱস্থা আৰম্ভ কৰিবলৈও কয়। এই গৃহ অনুমতিৰ ব্যৱস্থাটো কেন্দ্ৰীয়ভাৱে চলিব যদিও স্থানীয় নগৰ নিকায়সমূহে নিৰ্দ্ধাৰণ কৰা ৰাজহ ব্যৱস্থাটোৰে সামৰি লোৱা হ'ব বুলি তেওঁ কয়। গৃহ নিৰ্মাণৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত সকলোধৰণৰ অপকৰ্মৰ অৱসান ঘটোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে গৃহ নিৰ্মাণৰ অনুমতি প্ৰদানৰ বিপৰীতে দহ শতাংশ নমুনা পৰীক্ষণ বাধ্যতামূলক কৰিবলৈও নিৰ্দেশ দিয়ে।

বৈঠকত মহানগৰীৰ বাবে এক সমন্বিত পৰিবহন ব্যৱস্থা গঢ়ি তোলাৰ দিশতো আলোচনা কৰা হয়। জনসাধাৰণক উপকৃত কৰিব পৰাকৈ মাল্টিমডেল পৰিবহন ব্যৱস্থা প্ৰৱৰ্তনৰ দিশত থকা ৰাজ্য চৰকাৰৰ পৰিকল্পনাৰ লগত সংগতি ৰাখি মহানগৰীত চিটিবাছ সেৱাৰ মান উন্নীতকৰণৰ বাবে এক সংহত যাতায়াত আঁচনি গ্ৰহণ কৰাৰ লগতে ইউনিফাইড মেট্ৰ'পলিটেন ট্ৰেন্সপ'ৰ্ট অথৰিটিৰ সামগ্ৰিক পদ্ধতি আৰু পৰিচালনা কৌশলৰ বিষয়েও আজিৰ বৈঠকত আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে গুৱাহাটী পৌৰ নিগমে আৱৰ্জনা নিষ্কাশনৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে মহানগৰীত স্বাস্থ্যসন্মত জীৱন নিৰ্বাহৰ মান সঠিককৈ ৰখা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা অটুট ৰখাৰ উদ্দেশ্যৰে জাৱৰ পেলোৱা স্থানসমূহৰ অধিক উন্নয়ন সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই

ক্ষেত্ৰত উন্নত পদ্ধতি গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই বৈঠকত ব্ৰহ্মপুত্ৰ নদীৰ পাৰ উন্নয়ন প্ৰকল্প ৰূপায়ণৰ দিশতো আলোচনা কৰা হয়।

আজিৰ এই বৈঠকত গৃহ আৰু নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহল, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**১০-২-২০২২**